জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৬৯২/২০২০

# বিশিষ্ট অৰ্থনীতিবিদ ড° জয়ন্ত মাধৱৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

## ড° জয়ন্ত মাধৱৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ ছেপেম্টম্বৰ ঃ** বিশিষ্ট অৰ্থনীতিবিদ, এছিয়ান ডেভেলপমেন্ট বেংকৰ প্ৰাক্তন সঞ্চালক, নেডফিৰ প্ৰক্তন অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° জয়ন্ত মাধৱৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° জয়ন্ত মাধৱে আমাৰ অৰ্থনৈতিক ক্ষেত্ৰলৈ যি অনন্য অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই গৰাকী অৰ্থনীতিবিদে অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি গৈছে। আনহাতে নেডফিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি এই অনুষ্ঠানটিক বিত্তীয় ব্যৱস্থাপনা আৰু উৎপাদমূখী থলুৱা প্ৰকল্প ৰূপায়ণৰ এক সামাজিক অনুষ্ঠান হিচাপে আগবঢ়াই নিয়াৰ দিশটো তেখেতে অগ্ৰণী ভূমিকা পালন কৰি গৈছে। এইগৰাকী বিশিষ্ট অৰ্থনীতিবিদৰ বিয়োগ আমাৰ সমাজ জীৱন তথা অৰ্থনৈতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° জয়ন্ত মাধৱৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° জয়ন্ত মাধৱৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক ইতিমধ্যে নিৰ্দেশ দিছে।

**পুঃডেঃ / বঃভাঃ**
**১৯/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in